# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-11-2025 **Time :** 1910 Hrs.

## ASSAMESE EVENING BULLETIN
### *HEADLINES*
0000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জোহানেছবাৰ্গত হ'বলগীয়া জি-২০ সন্মিলনত অংশগ্ৰহণৰ বাবে তিনিদিনীয়া ভ্ৰমণসূচীৰে দক্ষিণ আফ্ৰিকাত উপস্থিত হৈছেগৈ।

২। কেন্দ্ৰীয় চৰকাৰে আজি দেশৰ শতিকাপুৰণি শ্ৰম আইনৰ সৰলীকৰণৰ উদ্দেশ্যে চাৰিখন নতুন শ্ৰম বিধিৰ কাৰ্যকৰীকৰণৰ কথা ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে নগৰ উন্নয়ন খণ্ডৰ বিশেষজ্ঞ আৰু অংশীদাৰসকলৰ সৈতে দ্বাদশ প্ৰাক্-বাজেট আলোচনাত মিলিত হয়।

৪। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ছিংগাপুৰত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে আলোচনাত মিলিত হয়।

**আৰু**

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ খেলপথাৰত অনুষ্ঠিত হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জোহানেছবাৰ্গত হ'বলগীয়া জি-২০ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্য আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে দক্ষিণ আফ্ৰিকাত উপস্থিত হৈছেগৈ। শ্ৰীমোদীয়ে শীৰ্ষ সন্মিলনৰ আটাইকেইটা সত্ৰতে অংশগ্ৰহণ কৰিব আৰু গোলকীয় দক্ষিণ, বহনক্ষম উন্নয়ন, জলবায়ু শীৰ্ষক কাৰ্যসূচী, গোলকীয় প্ৰশাসনত সংস্কাৰ আদিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বক্তব্য আগবঢ়াব। শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ আপাহতে ভাৰত, ব্ৰাজিল, দক্ষিণ আফ্ৰিকাৰ নেতৃত্বৰ্গৰ বৈঠকত ভাগ ল'ব আৰু কেইবাগৰাকীও বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই বছৰৰ এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে - সংহতি, সমতা আৰু বহনক্ষমতা।

জোহান্সবাৰ্গ অভিমুখে ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই শীৰ্ষ সন্মিলনে গুৰুত্বপূৰ্ণ গোলকীয় বিষয়সমূহ আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। এই সন্মিলনত তেওঁ বসুধৈব কুটুম্বকম আৰু এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যতৰ ৰাষ্ট্ৰ দৰ্শনৰ সৈতে সামঞ্জস্য থকা বিষয়ত আলোকপাত কৰিব বুলি উল্লেখ কৰে। আফ্ৰিকাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা জি-২০ সন্মিলন বিশেষভাৱে গুৰুত্বপূৰ্ণ হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে দক্ষিণ আফ্ৰিকাৰ প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত-বিনিময়ৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে।

0000000

দক্ষিণ আফ্ৰিকাৰ আগশাৰীৰ ডিজিটেল মাধ্যম আই অ' এল নিউজে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত গভীৰ পাৰস্পৰিক সন্মান, বিশ্বাস আৰু দীৰ্ঘদিনীয়া সম্পৰ্ক আছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ লগতে চলিত বৰ্ষৰ জি-২০ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এগৰাকী অভিজ্ঞ ৰাষ্ট্ৰনেতাৰূপে নহয়, বৰঞ্চ সফল বিশ্বনেতা হিচাপেও বিবেচিত হৈছে বুলি ইয়াৰ প্ৰতিবেদনত প্ৰকাশ পাইছে।

২০২৩ চনত ভাৰতে জি-২০ৰ নেতৃত্ব দিয়াৰ সময়ত আফ্ৰিকীয় সংঘই সংগঠনটোৰ স্থায়ী সদস্যপদ লাভ কৰাৰ বিষয়েও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ভাৰত দক্ষিণ আফ্ৰিকাৰ চতুৰ্থ বৃহৎ বাণিজ্যিক অংশীদাৰ বুলি উল্লেখ কৰি প্ৰতিবেদনখনত উভয় দেশৰ দ্বিপাক্ষিক বাণিজ্যই ১৮শ কোটি আমেৰিকান ডলাৰ অতিক্ৰম কৰিছে বুলি প্ৰকাশ কৰা হৈছে।

0000000

কেন্দ্ৰীয় চৰকাৰে আজি দেশৰ শতিকাপুৰণি শ্ৰম আইনৰ সৰলীকৰণৰ উদ্দেশ্যে চাৰিখন নতুন শ্ৰম বিধিৰ কাৰ্যকৰীকৰণৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই কয় যে এই নতুন শ্ৰম বিধিয়ে দেশৰ কৰ্মশক্তিৰ কল্যাণৰ লগতে উপযুক্ত মজুৰি সুৰক্ষা তথা সামাজিক নিৰাপত্তা নিশ্চিত কৰিব। মজুৰি বিধি ২০১৯, ঔদ্যোগিক সম্পৰ্ক বিধি ২০২০, সামাজিক নিৰাপত্তা বিধি ২০২০ আৰু জীৱিকাৰ সুৰক্ষা, স্বাস্থ্য আৰু কৰ্মপৰিৱেশ বিধি ২০২০ আজিৰে পৰা কাৰ্যকৰী হৈছে। ড০ মাণ্ডাভিয়াই কয় যে এই সংস্কাৰসমূহ কেৱল সাধাৰণ পৰিৱৰ্তন নহয়, বৰঞ্চ দেশৰ প্ৰতিগৰাকী শ্ৰমিকৰ মৰ্যাদা ৰক্ষাৰ বাবে চৰকাৰৰ নিশ্চিতি। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে যোৱা দশকটোত দেশে ২০১৫ চনৰ ১৯ শতাংশ কৰ্মশক্তিৰ পৰা চলিত বৰ্ষত ৬৪ শতাংশতকৈও অধিক কৰ্মশক্তিলৈ সামাজিক নিৰাপত্তাৰ প্ৰসাৰ ঘটাইছে। এই নতুন শ্ৰম বিধি চাৰিখন এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই বিধিকেইখনে সকলো শ্ৰমিককে সময় মতে ন্যূনতম মজুৰি আদায় দিয়া যুৱক-যুৱতীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা, মহিলাক সন্মান তথা সমান হাৰত মজুৰি দিয়া, ৪০ কোটি শ্ৰমিক বাবে সামাজিক নিৰাপত্তাৰ ব্যৱস্থা কৰা, এটা নিৰ্দিষ্ট কালৰ বাবে চাকৰিত মকৰল কৰাসকলক চাকৰি কাল এবছৰ সম্পূৰ্ণ হ'লে গ্ৰেচ্যুইটি প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ লগতে ৪০ বছৰ উৰ্ধৰ কৰ্মচাৰীসকলৰ বিনামূলীয়াকৈ প্ৰতিবছৰে স্বাস্থ্য পৰীক্ষা কৰাৰ ওপৰঞ্চি কামৰ বাবে মজুৰিৰ ব্যৱস্থা, বিপজ্জনক কামত নিয়োজিত শ্ৰমিকৰ বাবে সম্পূৰ্ণ স্বাস্থ্য সুৰক্ষাৰ ব্যৱস্থা কৰা আৰু সকলো শ্ৰমিককে আন্তঃৰাষ্ট্ৰীয় মানৰ সামাজিক ন্যায়ৰ নিশ্চিতি দিয়াৰ কথাও এই সংস্কাৰত সামৰি লোৱা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত চাৰিখন শ্ৰম বিধি ৰূপায়ণৰ চৰকাৰৰ সিদ্ধান্তক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে এই বিধিকেইখনে সাৰ্বজনীন সামাজিক নিৰাপত্তা সময়মতে ন্যূনতম মজুৰি প্ৰদান, সুৰক্ষিত কৰ্মস্থান, মহিলা আৰু যুৱক-যুৱতীকে ধৰি জনসাধাৰণৰ বাবে পাৰিতোষিকৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত এটা সবল ভেটি গঢ়ি তুলিব। তেওঁ কয় যে এই পদক্ষেপে শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে দেশৰ অৰ্থনৈতিক বিকাশক শক্তিশালী কৰিব পৰাকৈ এটা ভৱিষ্যমুখী পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাত সহায় কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে এই সংস্কাৰসমূহে নিয়োগ সৃষ্টিত অৰিহনা যোগোৱাৰ লগতে বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাক ত্বৰান্বিত কৰিব।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত নগৰ উন্নয়ন খণ্ডৰ বিশেষজ্ঞ আৰু অংশীদাৰসকলৰ সৈতে দ্বাদশ প্ৰাক্-বাজেট আলোচনাত মিলিত হয়। বৈঠকত কেন্দ্ৰীয় গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব, ভাৰত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা, বিত্ত মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে বিত্ত মন্ত্ৰীগৰাকীয়ে আজি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আন্তঃগাঁথনি আৰু শক্তি খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে একাদশ প্ৰাক্-বাজেট আলোচনাত মিলিত হয়।

বিত্ত মন্ত্ৰালয়ে সাধাৰণতে বাজেট দাখিলৰ পূৰ্বে প্ৰত্যেক বছৰে বিশেষজ্ঞ, উদ্যোগ জগতৰ কাণ্ডাৰী, অৰ্থনীতিবিদ আৰু ৰাজ্যিক বিষয়াসকলৰ সৈতে কেইবালানিও প্ৰাক্ বাজেট পৰামৰ্শ বৈঠকত মিলিত হয়। কেন্দ্ৰীয় বাজেটত বিভিন্ন দৃষ্টিভংগী আৰু অৰ্থনৈতিক অগ্ৰাধিকাৰৰ প্ৰতিফলন ঘটাটো সুনিশ্চিত কৰাই এনে আলোচনাৰ মূল উদ্দেশ্য।

০০০০০০০

ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ছিংগাপুৰত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীবৈষ্ণৱে কয় যে ছিংগাপুৰ ছেমিকণ্ডাক্টৰ উদ্যোগ সংস্থাই দেশৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পসমূহক সহায় কৰাৰ উদ্দেশ্যে ভাৰতৰ অংশীদাৰ হৈছে। শ্ৰীবৈষ্ণৱে লগতে ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ অভিযন্তা আৰু কাৰিকৰী দিশৰ লগত জড়িত লোকসকলৰ দক্ষতা বৃদ্ধিৰ বাবে বিষয়া তথা ঔদ্যোগিক গোটসমূহৰ সৈতে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে দেশখনৰ উপ-প্ৰধানমন্ত্ৰী আৰু বাণিজ্য তথা উদ্যোগ মন্ত্ৰী গান কিম য়ঙক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই উভয় দেশতে দ্বিপাক্ষিক সহযোগিতা বিশেষকৈ নতুন প্ৰযুক্তিৰ সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰে।

০০০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত আজি অনুষ্ঠিত ডুবাই এয়াৰ শ্ব'ত ভাৰতীয় বায়ুসেনা বাহিনীৰ এখন তেজাছ্ যুদ্ধবিমান দুৰ্ঘটনাগ্ৰস্ত হয়। বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰা মতে এই দুৰ্ঘটনাত পাইলটগৰাকীৰ প্ৰাণহানি হয়। দুৰ্ঘটনাৰ কাৰণ নিশ্চিত কৰাৰ বাবে অনুসন্ধানৰ নিৰ্দেশ দিয়া হৈছে। বায়ু সেনাবাহিনীয়ে এই ঘটনাত প্ৰাণহানি হোৱা পাইলটগৰাকীৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। যুঁজাৰু বিমানখনে এয়াৰ শ্ব'ত অংশগ্ৰহণ কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০০

যোগাযোগ ৰাজ্যমন্ত্ৰী ড০ চন্দ্ৰশেখৰ পেমাস্বামীয়ে আজি ডাক বিভাগৰ এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকখনত ড০ পেমাস্বামীয়ে ডাক সঞ্চয় বেংকৰ ডিজিটীয় আৰু বিত্তীয় সুৰক্ষা গাঁথনিৰ পৰ্যালোচনা কৰাৰ লগতে বায়োমেট্ৰিক আৰু অ' টি পিৰ জৰিয়তে প্ৰামাণিকৰণৰ ব্যৱস্থা শক্তিশালীকৰণৰ বাবে বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ খেলপথাৰত অনুষ্ঠিত হ'ব। খেলখন কাইলৈ পুৱা ৯ বজাত আৰম্ভ হ'ব। উইকেট কীপাৰ ঋষভ পন্টে ভাৰতীয় দলটোক নেতৃত্ব দিব। কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত ডিঙিত আঘাত পোৱাৰ বাবে শুভমন গীলে কাইলৈৰ খেলত অংশগ্ৰহণ নকৰে।

ইপিনে, অসম ক্ৰিকেটৰ ৭৬ বছৰীয়া ইতিহাসত ৰাজ্যখনত হ'বলগীয়া এই প্ৰথমখন টেষ্টৰ বাবে বি চি চি আই তথা অসম ক্ৰিকেট সন্থাই প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। দুয়োটা দলে কালি বহু সময় ধৰি অনুশীলন কৰে। ভাৰতে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ অনুশীলন কৰে। দক্ষিণ আফ্ৰিকাই দিনৰ ১ বজাৰ পৰা বিয়লি ৪ বজালৈ অনুশীলন চলায়। উল্লেখযোগ্য যে চলিত শৃংখলাটোত দক্ষিণ আফ্ৰিকাই কলকাতাত অনুষ্ঠিত প্ৰথম টেষ্টত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০০

**সমাপ্ত**